# Telephone conversation between Prime Minister and Prime Minister of Sri Lanka H.E. Mahinda Rajapaksa

August 06, 2020

# প্ৰধানমন্ত্ৰীৰ সৈতে শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী মাননীয় মহিন্দা ৰাজাপাক্ষাৰ টেলিফোন যোগে বাৰ্তালাপ

আগষ্ট 06, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী মহিন্দা ৰাজাপাক্ষা সৈতে বাৰ্তালাপত মিলিত হয়, আৰু শ্ৰীলংকাত কালি অনুষ্ঠিত হোৱা সাংসদীয় নিৰ্বাচনৰ সফল আয়োজনৰ কাৰণে তেখেতক অভিনন্দন জ্ঞাপন কৰে। কভিড-19 মহামাৰীৰ কাৰণে সীমাবদ্ধতা থকাৰ স্বত্বেও কাৰ্যকৰীভাৱে এই নিৰ্বাচন আয়োজন কৰাৰ কাৰণে প্ৰধানমন্ত্ৰীয়ে শ্ৰীলংকাৰ চৰকাৰ আৰু তাৰ নিৰ্বাচনী সংস্থাৰ প্ৰশংসা কৰে। তেখেতে লগতে নিৰ্বাচনত উদ্যমশীল অংশগ্ৰহণৰ কাৰণে শ্ৰীলংকাৰ জনসাধাৰণক প্ৰশংসা কৰে, আৰু কয় যে ইয়াৰদ্বাৰা উভয় দেশৰ শক্তিশালী গণতান্ত্ৰিক মূল্যবোধ প্ৰতিফলিত হৈছে।

প্ৰধানমন্ত্ৰী শ্ৰী মোডীয়ে উল্লেখ কৰে যে নিৰ্বাচনৰ আগত ফলাফলে শ্ৰীলংকা পদুজানা পেৰামুনা (এছ এল পি পি) দলৰ এক আকৰ্ষণীয় প্ৰদৰ্শনৰ ইঙ্গিত দিছিল, আৰু তেখেতে তাৰ কাৰণে শ্ৰী ৰাজাপক্ষেক শুভকামনা জনায়।

তেওঁলোকৰ পূৰ্বৰ সৌহাদ্যপূৰ্ণ আৰু ফলপ্ৰসূ সাক্ষাৎকাৰসমূহৰ কথা সুঁৱৰি দুয়োগৰাকী নেতাই ভাৰত-শ্ৰীলংকাৰ মাজত বহু দিন ধৰি চলি থকা আৰু বহুমাত্ৰিক সম্পৰ্কক আৰু অধিক সৱল কৰাৰ কাৰণে প্ৰতিশ্ৰুতি ব্যক্ত কৰে। তেওঁলোকে দ্বিপাক্ষিক সহযোগিতাৰ সকলো ক্ষেত্ৰতে প্ৰাথমিক অগ্ৰগতিৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে।

প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ বৌদ্ধ তীৰ্থস্থান কুছীনগৰত এটা আন্তৰ্জাতিক বিমান বন্দৰৰ স্থাপনাৰ কথা মাননীয় শ্ৰী ৰাজাপাক্ষাক জনাই, আৰু লগতে কয় যে এই চহৰখনে শ্ৰীলংকাৰ পৰ্যটকসকলক স্বাগতম জনোৱাৰ কাৰণে উচ্ছুক হৈ আছে।

উভয় দেশে কভিড-19 মহামাৰীৰ দ্বাৰা সৃষ্টি হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ কাৰণে পাৰস্পৰিক যোগাযোগ বজাই ৰখাৰ কথাত দুয়োগৰাকী নেতাই সহমত পোষণ কৰে, আৰু আনাগত দিনত দ্বিপাক্ষিক সম্পৰ্কক এক নতুন শিখৰত লৈ যোৱাৰ ক্ষেত্ৰত দুয়োজনাই দৃঢ় সংকল্প ব্যক্ত কৰে।

**নতুন দিল্লী**
**আগষ্ট 06, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.